মূল্য ঃ ৩৫ টকা

উনচত্বাৰিংশ বছৰ চতুৰ্বিংশ সংখ্যা। ১৬-৩০ নৱেম্বৰ ২০২০

₹ 35.00

প্ৰান্তিক

পযেকীয়া আলোচনী

Vol. XXXIX No. 24 16-30 November 2020

Prantik

The Asomiya Fortnightly

নৱগিৰি পথ, চানমাৰি, গুৱাহাটী-৭৮১ ০০৩
ফোন ঃ ৭৬৩৭০১৪০৩৮ (সম্পাদনা)
৯৪৭৬৭৯৬০১৯ (ব্যৱস্থাপনা)

e-mail : prantikasomiya@gmail.com
website : www.prantikonline.com

প্ৰতিষ্ঠাপক মুখ্য সম্পাদক ঃ ভবেন্দ্ৰ নাথ শইকীয়া

Navagiri Road, Chanmari,
Guwahati-781003
Phone : **7637014038** (Editorial)
**9476796019** (Administrative)

## এই সংখ্যাত

আজিৰ বিশ্বত ভাৰতৰ গুৰুত্ব যথেষ্ট বৃদ্ধি পাইছে। গতিকে কোনো মাৰ্কিন চৰকাৰেই ভাৰতৰ সৈতে সম্পৰ্ক দৃঢ়তৰ নকৰি নোৱাৰে। পিছে ট্ৰাম্প বা বাইডেনৰ ভাৰত সম্পৰ্কীয় ধাৰণাৰ মাজত কিছু পাৰ্থক্যও আছে। দুয়োজনেই ভাৰত-মাৰ্কিন বন্ধুত্বৰ পক্ষপাতী, কিন্তু বাইডেনে বহু আগৰেপৰাই কাশ্মীৰত নতুন দিল্লীয়ে মানৱ অধিকাৰ উলংঘা কৰি অহা বুলি অভিযোগ তুলি আহিছে। বাইডেনৰ সুৰতে সুৰ মিলাইছে তেওঁৰ নিৰ্বাচনী সহযোগী কমলা হেৰিছেও।

বৈদেশিক শিতানত **চম্পক শৰ্মাৰ ঃ আমেৰিকাৰ নিৰ্বাচন আৰু প্ৰত্যাশা** ।১৪।

ক'ভিড মহামাৰীৰ ফলত হ'ব পৰা শিশুসকলৰ মানসিক সমস্যাৰ মূল কাৰণ হিচাপে চিহ্নিত হৈছে দীঘলীয়া সময়ৰ বাবে শিক্ষা-প্ৰতিষ্ঠানসমূহ বন্ধ হৈ থকাৰ ব্যৱস্থা। এনে ব্যৱস্থা অতি প্ৰয়োজনীয় আৰু নিতান্তই অপৰিহাৰ্য আছিল। এতিয়াও শিক্ষা-প্ৰতিষ্ঠানবোৰ খুলি দিব পৰাৰ পৰিৱেশ অহা নাই। এনে পৰিৱেশ খুব সোনকালে আহিব বুলিও আশা কৰিব নোৱাৰি। স্কুল-কলেজ মানে কেৱল শ্ৰেণীকোঠাৰ পাঠদান নহয়।

**ডাঃ নাৰায়ণ শৰ্মাৰ ঃ ক'ভিড প্ৰভাৱিত শিশুৰ পৃথিৱীখন** ।১৯।

তেজপুৰৰ কলিবাৰী ঠাইডোখৰ অসমৰ এটা লেখত ল'বলগীয়া অঞ্চল। কাৰণ এই ঠাইডোখৰৰপৰা আধুনিক অসমীয়াৰ সাংস্কৃতিক বিপ্লৱৰ সূচনা হৈছিল। আচলতে কলিবাৰী ঠাইডোখৰৰ নাম ক'লীবুঢ়ী বা কলিবুঢ়ী বুলি খ্যাত এগৰাকী মহিলাৰপৰা জনাজাত হৈছে। এই কলিবুঢ়ী আছিল ওঠৰ শতিকাতে আহোম স্বৰ্গদেউ শিৱ সিংহৰ ৰাজ্যৰপৰা পলায়ন কৰা এগৰাকী বৈষ্ণৱ ধৰ্মীয় বিধৱা মহিলা।

**ড° মনোজ কুমাৰ হাজৰিকাৰ ঃ তেজপুৰৰ কলিবাৰী বোলা ঠাইখনৰ নামৰ ইতিবৃত্ত** ।৩৬।

**পত্ৰালাপ।৪। সম্পাদকীয়।৫। প্ৰান্তীয় সংবাদ।১০। সমীক্ষণ ঃ সামাজিক মাধ্যমৰ সংকট ঃ প্ৰযুক্তিৰ উদ্ভাৱন আৰু মানসিক অন্তৰ্দৃষ্টিৰ মহামিলনৰ পৰিণাম।১১। বৈদেশিক ঃ আমেৰিকাৰ নিৰ্বাচন আৰু প্ৰত্যাশা।১৪। চিন্তন ঃ মানুহে মিছাৰ সহায় ল'বলগীয়া হয় কিয়?।১৬। ছুড'কু।১৭। অসমত হিন্দু আৰু মুছলমান ঃ এক বিৰল সম্পৰ্ক।১৮। ক'ভিড প্ৰভাৱিত শিশুৰ পৃথিৱীখন।১৯। আলোচনা ঃ অসমীয়াত কথা কোৱাৰ গৌৰৱ।২২। প্ৰান্তিকৰ বিভিন্ন লেখাত প্ৰকাশিত তথ্যৰ বিভ্ৰান্তি।২২। ন'বেল বঁটা, ৰ'জাৰ পেনৰ'জ আৰু ক'ভিড-১৯ৰ কথা।২৩। বিজ্ঞান-বৰ্ণালী ঃ ৰ'জাৰ পেনৰ'জ ঃ অসম্ভৱ বস্তুৰ ছবি আঁকা বিজ্ঞানীজন ।২৫। জ্ঞানাঞ্জন।২৯। শ্বিলঙৰ জন্ম ইতিহাস আৰু কিছু কথা।৩১। সত্ৰীয়া ব্যৱস্থাপনাত 'চহৰ' ঃ সত্ৰ আৰু শিষ্যৰ সম্বন্ধৰ এনাজৰী।৩৪। তেজপুৰৰ কলিবাৰী বোলা ঠাইখনৰ নামৰ ইতিবৃত্ত।৩৬। ভূপেন হাজৰিকাৰ গীতত ইতিহাসৰ চৰ্চা।৩৮। ভাষা ঃ ড° গোলোকচন্দ্ৰ গোস্বামীয়ে কৈছিল....।৪৫। ঘৰুৱা ঃ উজাগৰী নিশাৰ প্ৰহেলিকা।৪৭। ৰসালাপ ঃ নোহোৱা হোৱাৰ দুখ।৪৯। দৈনন্দিন ঃ প'ষ্ট ডক্টৰেল ফেল'শ্বিপ।৫০। কবিতা।৫২। ধাৰাবাহিক উপন্যাস ঃ যাত্ৰা।৫৪। গল্প ঃ পঁইতা ভাত।৫৮। স্মৃতিয়ে যেতিয়া আমনি কৰে।৬২। ক্ৰীড়াংগন।৬৫। শেষপৃষ্ঠা।৬৬।**

## অহা সংখ্যাত

যি জাতিয়ে আদৰ্শৱান শিক্ষাগুৰুসকলৰ প্ৰতি যথোচিত সন্মান জনাব নাজানে, তেওঁলোকৰ মহৎ ত্যাগ আৰু কৃতি-কৰ্ম সোঁৱৰণ কৰিব নোখোজে, সেই জাতিয়ে কেতিয়াও নিজকে এটি সভ্য জাতি বুলি চিনাকি দিব নোৱাৰে। এনে এজন বিদ্বান, আদৰ্শৱান শিক্ষাগুৰুৱেই আছিল বিশিষ্ট বিজ্ঞানী আৰু শিক্ষাবিদ ড° ভূমিধৰ চৌধুৰী। অসমত বিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত, বিশেষকৈ পদাৰ্থবিজ্ঞান শিক্ষাৰ ক্ষেত্ৰত ড° চৌধুৰীয়ে অনবদ্য বৰঙণি আগবঢ়াই গৈছে। ছাত্ৰসকলৰ মাজত বিজ্ঞানমনস্কতা গঢ়ি তোলাৰ ক্ষেত্ৰতো তেখেতে অগ্ৰণী ভূমিকা লৈছিল।

**ড° পদ্মপাণিৰ ঃ বিশিষ্ট বিজ্ঞানী আৰু শিক্ষাবিদ ড° ভূমিধৰ চৌধুৰী**

বিশ্বৰ জলবায়ু পৰিৱৰ্তনৰ লগত ছাহাৰাৰ ভৱিষ্যৎ উজ্জ্বল নে অনুজ্জ্বল হ'ব সেই সম্পৰ্কে এতিয়া দুটা বিপৰীত ধাৰণাই বিৰাজ কৰিছে। নেদাৰলেণ্ডৰ ৰয়েল মেটিঅৰ'লজিকেল ইনষ্টিটিউটৰ জলবায়ু বিজ্ঞানীসকলে ভাবে যে গোলকীয় উষ্ণতা বৃদ্ধি ছাহাৰাৰ বাবে আশীৰ্বাদস্বৰূপ হ'ব। তেওঁলোকে ভৱিষ্যৎবাণী কৰিছে যে সেউজগৃহ গেছৰ পৰিমাণ বৃদ্ধি আৰু গোলকীয় উষ্ণতা বৃদ্ধিয়ে অহা কেইদশকৰ ভিতৰতে ছাহাৰাত বৰষুণৰ পৰিমাণ বঢ়াবহে আৰু তাৰ ফলত ছাহাৰাত এতিয়া বৰ্তি থকা চৰম খৰাং অৱস্থাৰ উপশম হ'ব।

**ড° যোগেন শৰ্মাৰ ঃ সেউজীয়া ছাহাৰা**

কেৱল অযুত সম্ভাৱনাক ভৰিৰে মোহাৰি 'অনগ্ৰসৰ/পিছপৰা' ইত্যাদি বিশেষণবোৰৰ সৈতে সহাৱস্থান কৰাটোৱেই যেন অসমৰ অৰ্থনৈতিক নীতি আৰু আদৰ্শ হৈ পৰিছে। স্বাভাৱিকতেই উত্থান-পতনৰ মাজেদিয়ে বিশ্বৰ অৰ্থনীতি আগবাঢ়িছে। যুদ্ধ, দুৰ্যোগ, মহামাৰীয়ে কঁকাল ভাঙি পেলালেও ন-উদ্যমেৰে মহাশক্তিমান হৈ উঠিছে বহু দেশৰ ধ্বংসপ্ৰাপ্ত অৰ্থনীতি।

**জ্ঞানদীপ শইকীয়াৰ ঃ ক'ভিডৰ পৰৱৰ্তী অসমৰ অৰ্থনৈতিক প্ৰত্যাহ্বান আৰু ভঁৰালৰ তলৰ চেপাত বহনক্ষম বিকাশৰ সম্ভাৱনা**

কাৰ্যবাহী সম্পাদক ঃ **ইমৰান হুছেইন** সহকাৰী সম্পাদক ঃ **বলেন দত্ত** ব্যৱস্থাপনা ঃ **মায়া বৰুৱা, প্ৰসন্ন শৰ্মা**
ডিটিপি ছেটিং ঃ **কুমুদ শৰ্মা, কিশোৰ ডেকা, জয়ন্ত বৰুৱা** সহযোগী ঃ **কেশৱ বৰ্মন, দিলীপ তালুকদাৰ**
**প্ৰদীপ বৰুৱাৰদ্বাৰা** মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত।
মুদ্ৰাংকন ঃ শৰাইঘাট অফছেট প্ৰেছ, শৰাইঘাট ফট'টাইপছ প্ৰা.লি., বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১